**প্ৰধানমন্ত্ৰীৰ কুৱেইট ভ্ৰমণ (ডিচেম্বৰ 21-22, 2024)**

18 ডিচেম্বৰ, 2024

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 2024 চনৰ 21-22 ডিচেম্বৰ তাৰিখে কুৱেইটৰ আমীৰ শ্বেইখ মিশ্বাল আল-আহমেদ আল-জাবেৰ আল-ছাবাহৰ আমন্ত্ৰণত কুৱেইট ভ্ৰমণ কৰিব। সুদীৰ্ঘ 43 বছৰৰ পিছত এজন ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে শ্ৰী মোদীৰ কুৱেইটলৈ এইটো প্ৰথম ভ্ৰমণ হিচাপে বিবেচিত হৈছে।

2. ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে কুৱেইটৰ নেতৃত্বৰ সৈতে আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰীয়ে কুৱেইটৰ প্ৰবাসী ভাৰতীয় সম্প্ৰদায়ৰ সৈতেও বাৰ্তালাপ কৰিব।

3. ভাৰত আৰু কুৱেইটৰ মাজত ইতিহাস বিজড়িত পৰম্পৰাগত ঘনিষ্ঠ আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে আৰু ই অৰ্থনৈতিকভাৱে তথা জনসাধাৰণৰ মাজত সৰল সম্পৰ্কৰ দ্বাৰা অধিক শক্তিশালী হৈছে। ভাৰত কুৱেইটৰ শীৰ্ষ বাণিজ্যিক অংশীদাৰসকলৰ ভিতৰত অন্যতম। কুৱেইটৰ সৰ্ববৃহৎ প্ৰবাসী সম্প্ৰদায়সমূহৰ ভিতৰত ভাৰতীয় সম্প্ৰদায়েই হৈছে সৰ্বাধিক বৃহৎ সম্প্ৰদায়।

4. এই ভ্ৰমণে ভাৰত আৰু কুৱেইটৰ মাজত বহুমুখী সম্পৰ্ক অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিব।

**নতুন দিল্লী**

**18 ডিচেম্বৰ, 2024**